ইংৰাজী গ্ৰন্থ

১৪) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.

১৫) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.

১৬) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

১৭) Gleason (Jr.)(1978). *An Introduction to the Descriptive Linguistics.* Lisbon: Calouste Gulbenkian Foundation.

১৮) Hockett, C. F. (1970). *A Course in Modern Linguistics*. New Delhi: Oxford & IBH Publishing Co. Pvt. Ltd.

১৯) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

২০) Matthews, P. H. (2002). *Morphology.* Cambridge: CUP.

২১) Yule, G. (1996). *The Study of Language*. Cambridge: CUP.

১১.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জীৱ বিদ্যাৰ পৰা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্তৰূপ আৰু বদ্ধৰূপ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ গঠনৰ ওপৰত ভিত্তি কৰি শব্দক প্ৰধানতঃ দুটা ভাগত ভগাব পাৰি— (ক) মৌলিক শব্দ আৰু (খ) যৌগিক শব্দ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাকৃতি নিৰ্ণয় কৰিবৰ বাবে ভাষা এটাৰ এক বা একাধিক বৰ্ণৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য বিশ্লেষণ কৰা হয়। তাৰ পাছত একে ধ্বনিযুক্ত আৰু একে অৰ্থবাহক ৰূপবোৰক শ্ৰেণীবদ্ধ কৰা হয়। শ্ৰেণীবদ্ধ হোৱা ৰূপ বা আকৃতিসমূহৰ প্ৰয়োগ বিশ্লেষণ কৰা হয়। প্ৰয়োগ বিশ্লেষণত এটা কথা মন দিয়া হয় যে ৰূপবোৰক একে পৰিৱেশত ব্যৱহাৰ কৰিলে অৰ্থৰ শ্ৰেণী পৰিবৰ্তন কৰিব পাৰে নে নোৱাৰে; অৰ্থাৎ সিহঁতৰ মাজত বিৰোধ আছেনে নাই। বিৰোধ নথকা ৰূপবোৰক একোটা গোট কৰি প্ৰাকৃতি বুলি চিনাক্ত কৰা হয়।



১১.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) মুক্তৰূপবোৰক কেইটা আৰু কি কি ভাগত ভগোৱা হৈছে?

খ) বদ্ধৰূপ কাক বোলে?

গ) শব্দ বুলি ক'লে কি বুজে?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) লিংগ, বচন, পুৰুষ কেনেদৰে নিৰ্ণয় কৰা হয়, এইবোৰে শব্দৰ গঠনত কেনে পৰিৱৰ্তন সাধন কৰে সেই বিষয়েও ৰূপতত্ত্বত আলোচনা কৰা হয়।

খ) ৰূপ আৰু প্ৰাকৃতিৰ মাজত কোনো পাৰ্থক্য নাই।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰূপ বা আকৃতি সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ অক্ষৰ মানে কি বুজাই লিখক।

প্ৰশ্ন ৩ ঃ উপাকৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰূপতত্ত্ব বুলিলে কি বুজা যায়? ভাষা একোটাত প্ৰয়োগ হৈ থকা প্ৰাকৃতি বা ৰূপবোৰক কি কি শ্ৰেণীত ভগাব পাৰি বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শব্দ মানে কি? শব্দৰ শ্ৰেণীবিভাজন কৰি সেই বিষয়ে বহলাই আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ আকৃতি-প্ৰাকৃতি-উপাকৃতিৰ মাজৰ সম্পৰ্ক কি বুজাই লিখক।

প্ৰশ্ন ৪ ঃ ৰূপতত্ত্বৰ অধ্যয়নৰ পৰিসৰ সম্বন্ধে এটা প্ৰবন্ধ লিখক।

প্ৰশ্ন ৫ ঃ প্ৰাকৃতিৰ বৈশিষ্ট্যসমূহ কি কি? প্ৰাকৃতি কেনেদৰে নিৰ্ণয় কৰা হয় উদাহৰণসহ বুজাই লিখক।

*** ***** ***